# 16th Meeting of the Working Mechanism for Consultation & Coordination on India-China Border Affairs

July 10, 2020

# ভাৰত–চীন সীমান্ত বিষয়সমূহৰ ওপৰত পৰামৰ্শ আৰু সমন্বয়ৰ কাৰণে কাৰ্যকৰী পদ্ধতিৰ16তম বৈঠক

জুলাই 10, 2020

10 জুলাই 2020 তাৰিখে ভাৰত–চীন সীমান্ত বিষয়সমূহৰ(ডব্লিউ এম চি চি) ওপৰত পৰামৰ্শ আৰু সমন্বয়ৰ কাৰণে কাৰ্যকৰী পদ্ধতিৰ16তম বৈঠক অনুষ্ঠিত হয়। বৈদেশিকমন্ত্ৰণালয়ৰযুটীয়াসচিবে(পূবএচিয়া) ভাৰতীয় প্ৰতিনিধিবৰ্গৰ নেতৃত্ব কৰিছিল, আনহাতে চীনৰ হৈ প্ৰতিনিধিসকলক নেতৃত্ব দিছিল চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ সীমা আৰু মহাসাগৰীয় বিভাগৰ মহানিৰ্দেশকে।

2. দুয়ো পক্ষই 17 জুন 2020 ত বিদেশ মন্ত্ৰী দুগৰাকীৰ মাজত হোৱা চুক্তিখন আৰু লগতে 5 জুলাই 2020 তাৰিখে দুয়োখন দেশৰ বিশেষ প্ৰতিনিধিৰ মাজত টেলিফোন বাৰ্তালাপ জৰিয়তে হোৱা চুক্তিখনো স্মৰণ কৰে, উভয় পক্ষই দ্বিপাক্ষিক আৰু সাময়িক চুক্তি অনুসৰি সীমান্ত এলেকাত শান্তিপূৰ্ণ অৱস্থাৰ পুনৰ বাহাল ৰখাৰ কাৰণে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা(এল এ চি)ৰ পৰা সৈনিকসকলকসম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰাটো সুনিশ্চিত কৰিব। তেওঁলোকে এই কথাটোতো সন্মতি জনাই যে দ্বিপাক্ষীক সম্বন্ধৰ সামগ্ৰিক বিকাশৰ কাৰণে সীমান্তৱৰ্তী এলেকাত স্থায়ী শান্তি আৰু সমৃদ্ধি বজাই ৰখাটো অত্যন্ত জৰুৰী।

3. তেওঁলোকে এল এ চি ৰ পশ্চিম ক্ষেত্ৰত সৈন্যবাহিনীৰ গতিবিধি হ্ৰাস কৰাৰ ক্ষেত্ৰত লোৱা প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ লগতে ভাৰত–চীন সীমান্তৰ পৰিস্থিতিৰ পৰ্য্যালোচনা কৰিব। এইক্ষেত্ৰত তেওঁলোক একমত যে দুয়ো পক্ষৰ জ্যেষ্ঠ কমাণ্ডাৰসকলৰ মাজত হোৱা বুজাবুজিৰ আন্তৰিকতাৰ সৈতে কাৰ্য্যকৰী কৰাটো আৱশ্যকীয়। দুয়োখন দেশৰ জ্যেষ্ঠ প্ৰতিনিধিসকলৰ মাজত হোৱা সন্মতি অনুসৰি জ্যেষ্ঠ কমাণ্ডৰসকলে পৰৱৰ্তী পদক্ষেপসমূহৰ কাৰণে অতি সোনকালেই বৈঠকত মিলিত হব যাতে সময়মতে সম্পূৰ্ণ প্ৰত্যাহাৰ আৰু বিস্তৃতি ৰোধ কৰিব পৰা যায়।

4. দুয়ো পক্ষই পৰিস্থিতিৰ দ্ৰুত সমাধান সুনিশ্চিত কৰাৰ কাৰণে কূটনৈতিক আৰু সামৰিক উভয় স্তৰত চলি থকা যোগাযোগ বজাই ৰখাৰ ক্ষেত্ৰত সন্মতি ব্যক্ত কৰে। এই সন্দৰ্ভত তেওলোকে অদূৰ ভৱিষ্যতে ডব্লিউ এম চি চি ৰ আন এটি বৈঠক আয়োজন কৰাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে।

**নতুন দিল্লী**

জুলাই10, 2020

*****

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.